# মই কবিতা কিয় লিখোঁ?

**বীৰেন গগৈ**



বীৰেন গগৈ

মোক লিখিবলৈ কিবা এটাই অনুপ্ৰেৰণা যোগায়। সেইটো দুখ-সুখ-প্ৰেম আদি যিকোনো এটা হ'ব পাৰে। হাইস্কুলত থাকোতে বাপুজী, কনকলতাক লৈ পদ্য লিখিছিলোঁ। স্কুলৰ পাঠ্যক্ৰমৰ কবিতাবোৰ পঢ়িছিলোঁ। সাৰাংশ লিখিছিলোঁ। এইবোৰ আছিল পৰীক্ষাত উত্তীৰ্ণ হ'বলৈ, নম্বৰ পাবলৈ। মোৰ বোধেৰে এনেকৈয়ে এজন ব্যক্তি স্কুলীয়া দিনবোৰত সাহিত্যৰ প্ৰতি আকৰ্ষিত হয়। সাহিত্য-চৰ্চাৰ বাবে পৰিৱেশ ডাঙৰ কথা। সাহিত্য সৃষ্টিৰ বাবে সাহিত্য অধ্যয়নৰ প্ৰয়োজন। সাহিত্য অধ্যয়নৰ সেই পৰিৱেশৰপৰা আমি বহুতেই বঞ্চিত হওঁ। ময়ো হৈছিলোঁ। বিয়াত উপহাৰ হিচাপে উঠা হোমেন বৰগোহাঞি, চৈয়দ আব্দুল মালিক, হিতেশ ডেকা আদিৰ গল্প, উপন্যাসৰ বাহিৰে মই একো পঢ়িবলৈ সুযোগ পোৱা নাছিলোঁ। কলেজত পঢ়িবলৈ যেতিয়া নগৰলৈ গ'লোঁ, তেতিয়া নৱকান্ত বৰুৱা, নীলমণি ফুকন, হীৰেন ভট্টাচাৰ্য আদি কবিৰ কবিতা পঢ়িবলৈ সুযোগ পাইছিলোঁ। এইসকল স্বনামধন্য কবিৰ উপৰি গুৱাহাটীলৈ যোৱাৰ পিছত ৰাম গগৈ, অৰনী চক্ৰৱৰ্তী, ৰবীন্দ্ৰ সৰকাৰ, ৰবীন শৰ্মা, ধনঞ্জয় শৰ্মা, ৰোহিনী কুমাৰ পাঠক, ৰফিকুল হোছেইন আদি কবি-সাহিত্যিক-চিত্ৰশিল্পীসকলৰ সান্নিধ্যই মোক লিখিবলৈ অনুপ্ৰেৰণা যোগাইছিল।

মই বিদ্ৰোহীও নহ'লোঁ, ৰোমাণ্টিকো নহ'লোঁ। আৰম্ভ হৈছিল এজন দেশপ্ৰেমিক হিচাপে, যিটোৰ পঢ়ুৱৈ সংখ্যা নগণ্য। কবিতাত প্ৰেম থাকিবই লাগিব নেকি? ইয়াৰ দিশ-নিৰ্দেশনা মোৰ নাছিল। সেয়ে মই ঘৰচিৰিকাও নহয়, ৰাজহংসও নহয়। জীৱনৰ বাবে কবিতা নহয়, কলাৰ বাবেহে কবিতা, এনে এটা ধাৰণা মোৰ প্ৰথমতে আছিল। দুই-এক সাম্যবাদী কবি-সাহিত্যিকৰ সান্নিধ্য লাভৰ পিছত মোৰ সেই ধাৰণা নোহোৱা হৈছিল। কথাটো ভুল আছিল। আৰু এই ধাৰণাৰ বাবে কবি হিচাপে মই বহুদূৰ পিছ পৰি গ'লোঁ যেন লাগে। অৱশ্যে তাকে নথকা হ'লে কিমান উৎকৃষ্ট কবিতা লিখিলোঁহেতেন এতিয়া ক'ব নোৱাৰোঁ।

সাহিত্যত অনুপ্ৰেৰণা আৰু পৰিৱেশৰ অৱদান থাকিবই লাগিব। বিশেষকৈ চেমনীয়া অৱস্থাত দেখি-শুনি ভাল লগা কামবোৰ কৰিবলৈ মন যায়। ভাল গল্প এটা পঢ়িলে গল্পকাৰ হ'বলৈ মন যায়, সেইদৰে উপন্যাস এখন পঢ়িলে ঔপন্যাসিক হ'বলৈ মন যায়। যৌথ পৰিয়ালৰ কোনোবা নহয় কোনোবা এগৰাকীৰ কাম-কাজে লিখিবলৈ অনুপ্ৰেৰণা যোগায়। যাৰ ঘৰত গান-বাজনাৰ বাদ্যযন্ত্ৰ থাকিব,

সেইখন ঘৰত এজন নহয় এজন গায়ক সৃষ্টি হ'বই। তেনেদৰে যাৰ ঘৰত কিতাপ-পত্ৰ, আলোচনীৰ সংগ্ৰহালয় থাকিব, সেইখন ঘৰত লেখকৰ সৃষ্টি হ'বই। অসমীয়া সাহিত্য-ক্ষেত্ৰত এনে পৰিৱেশত জনপ্ৰিয় সাহিত্যিক সৃষ্টি হোৱা বহু উদাহৰণ আছে।




পৰিৱেশে সৃষ্টি কৰা অনুপ্ৰেৰণাই মোকো আকৃষ্ট কৰিছিল। আশা-নিৰাশা, দুখ-বেদনাই মোকো কবিতা লিখিবলৈ বাধ্য কৰিছে। হাতত কাগজ-কলম লৈ মই লিখোঁ বুলি একো লিখিব নোৱাৰোঁ। কিবা এটাৰ অভিজ্ঞতা-পৰিৱেশ-অনুপ্ৰেৰণাৰ প্ৰয়োজন হ'বই লাগিব। মই জীৱনৰ এছোৱা কাল যৌথ পৰিয়ালৰ মাজত কটাইছিলোঁ। ঘৰখনতেই বহুতো চৰিত্ৰ, বিষয় লিখাৰ সমল হিচাপে পাইছিলোঁ। মই গল্প-কবিতা-উপন্যাসৰ যোগেদি সেইবোৰ চৰিত্ৰক প্ৰকাশ কৰিব নোৱাৰিলোঁ। শেষত কবিতাৰ ফালে মোৰ সাহিত্যকৰ্ম আগবাঢ়িল। কলেজত লিখা বহুতো প্ৰেমৰ কবিতা হেৰাই থাকিল। গুৰুত্বও নিদিলোঁ। সময়ত কিবা এটা ঢৌ আহিছিল, সেই ঢৌত অলপ হাত উজান দিছিলোঁ। বিশেষ একো নাছিল। পিছত লাহে লাহে দেখিলোঁ যে কবি-কবিতাৰ এখন স্বৰ্গীয় ক্ষেত্ৰ আছে, সমাজৰ বাবে চিন্তা-চৰ্চা কৰাৰ থল আছে, নিজৰ উদ্দেশ্য পালন কৰাৰ পৰিৱেশ আছে। এই ক্ষেত্ৰত ব্যক্তি-সান্নিধ্যই এক বিশেষ দায়িত্ব পালন কৰে। মোৰ ক্ষেত্ৰত এই ঘটনাবোৰ ঘটিছিল। হুবহু প্ৰকাশ কৰিব নোৱাৰিলেও খণ্ড-খণ্ডকৈ কথাবোৰ মোৰ মনলৈ আহিছে, আৰু মই কবিতাৰ মাধ্যমেৰে মানুহক জনাব খোজোঁ। কিন্তু এই প্ৰচাৰ-প্ৰসাৰৰ বাবে কবিতাক মই বৰ উজু মাধ্যম হিচাপে গ্ৰহণ কৰা নাই। ই যথেষ্ট কঠিন আৰু কষ্টকৰ মাধ্যম। যদি কিবা ন্যূনতম পঢ়ুৱৈক দিছোঁ, আজিৰ তাৰিখত মই কবিতাৰেই দিছোঁ। সেয়ে কবিতাৰ কথা-কোৱাৰ, কবিতা পাঠ কৰাৰ, কবিতাৰ বিষয়ে আলোচনা-সমালোচনা কৰাৰ বাবে অৱশেষত মোৰ জীৱনত থাকিলগৈ একমাত্ৰ কবিতা।